# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

*0000000*

অসমৰ সংগীত জগতৰ উজ্বল নক্ষত্ৰ, অসমবাসীৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ দেহাৱসানত সমগ্ৰ ৰাজ্য শোকস্তব্ধ হৈ পৰিছে। ছিংগাপুৰৰ সাগৰত সাঁতোৰাৰ সময়ত মৃত্যুক আঁকোৱালি লোৱা জনপ্ৰিয় শিল্পীগৰাকীৰ নশ্বৰদেহ আজি অসমলৈ অনাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ছিংগাপুৰত থকা ভাৰতৰ উচ্চায়ুক্তৰ সৈতে এই বিষয়ত সঘন যোগাযোগ ৰক্ষা কৰিছে। কালি শিল্পীগৰাকীৰ কাহিলিপাৰাস্থিত বাসগৃহত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ লগতে শোকাহত পৰিয়াল, আত্মীয় আৰু গুণমুগ্ধসকলক সমবেদনা জ্ঞাপন কৰে।

*বাইট (চি এম)*

ড° শৰ্মাই সাংবাদিকৰ আগত কয়, যে ৰাজহুৱাভাৱে প্ৰিয় শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে তেওঁৰ নশ্বৰদেহ সৰুসজাই ষ্টেডিয়ামত ৰখা হ'ব। তেওঁ লগতে কয়, যে নশ্বৰদেহ অসমলৈ অনাৰ পাছতহে তেওঁৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান চূড়ান্ত কৰা হ'ব। ইপিনে জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

শিল্পীগৰাকীৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিদ্যালয়সমূহত আজিৰে পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষা পিছুৱাই দিয়া হৈছে। জুবিন গাৰ্গৰ নশ্বৰদেহৰ অন্ত্যেষ্টিক্ৰিয়া নোহোৱা পৰ্যন্ত পৰীক্ষা পিছুৱাই দিবলৈ বিদ্যালয়ৰ পৰিদৰ্শক আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াক নিৰ্দেশ দিয়া হৈছে।

অসমীয়া সংগীতৰ এটা যুগৰ স্ৰষ্টা ক্ষণজন্মা শিল্পীগৰাকীৰ মৃত্যুত দেশ-বিদেশত থকা অসংখ্য গুণমুগ্ধ শোকস্তব্ধ হৈ পৰিছে। ৰাজ্যৰ বিভিন্ন স্থানত কালি সন্ধিয়া প্ৰাণৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই বন্তি প্ৰজ্বলন কৰা হয়। জুবিন গাৰ্গৰ মৃত্যুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, ৰাহুল গান্ধী, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি আন কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্য চৰকাৰৰ মন্ত্ৰী, বলিউদৰ বিশিষ্ট গায়ক, সংগীত পৰিচালক প্ৰমুখ্যে অজস্ৰ গুণমুগ্ধই গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

তিনি দশকৰো অধিক কাল অসমীয়া সংগীতজগতত অপ্ৰতিদ্বন্দ্বী হৈ ৰোৱা কণ্ঠশিল্পীগৰাকীয়ে কেৱল অসমীয়াই নহয়, বাংলা, হিন্দী আৰু আন কেইবাটাও ভাৰতীয় ভাষাত গীত গাই শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰি থৈ গৈছে।

০০০০০০০

জনপ্ৰিয় কণ্ঠশিল্পী, সুৰকাৰ, গীতিকাৰ, অভিনেতা, চলচিত্ৰ পৰিচালক জুবিন গাৰ্গৰ বিয়োগৰ বাতৰিয়ে ৰাজ্যৰ চুকে কোণে শোকৰ লহৰ তুলিছে। বিভিন্ন জিলাৰ সংবাদদাতাই আমালৈ এই শোকৰ বাতৰি পঠিয়াইছে।

যোৰহাটত শিল্পীগৰাকীৰ মৃত্যুত যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। জিলাখনৰ বৰুৱা চাৰিআলিৰ মিলেনিয়াম পাৰ্কত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত শিল্পীগৰাকীৰ আত্মাৰ সদগতি কামনাৰে বন্তি প্ৰজ্বলন কৰা হয়। যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয় চৌহদত শিল্পীগৰাকীৰ স্মৃতিত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত যথেষ্ট ভিৰ পৰিলক্ষিত হয়। ডিব্ৰুগড়তো জুবিন গাৰ্গৰ মৃত্যুত গুণমুগ্ধসকলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে।

শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ প্ৰবেশ দ্বাৰত জুবিন গাৰ্গৰ প্ৰতিকৃতিত শিক্ষাৰ্থীসকলে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শাৰী শাৰী বন্তি জ্বলাই গুণমুগ্ধসকলে তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

কণ্ঠশিল্পী জুবিন গাৰ্গৰ অকাল মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে সত্ৰপীঠ মাজুলীত শোকৰ ছাঁ পৰে। জিলাখনৰ সকলো প্ৰান্ততে স্বতঃস্ফূৰ্তভাৱে জনসাধাৰণ ওলাই আহি মৰমৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

০০০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ জ্যেষ্ঠ বিষয়া অনুৰাগ গোৱেলে যোৰহাট আৰৰ্ত ভৱনৰ সভাকক্ষত এখন উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰে। তেওঁ জিলা আয়ুক্ত জয় শিৱানী, অতিৰিক্ত জিলা আয়ুক্ত, সমজিলা আয়ুক্ত, নিৰ্বাচনী বিষয়া, চক্ৰ বিষয়া আৰু নিৰ্বাচনৰ লগত জড়িত অন্যান্য বিষয়াসকলৰ লগত যোৰহাট জিলাৰ নিৰ্বাচন সংক্ৰান্তীয় বিভিন্ন বিষয় পৰ্যালোচনা কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ শাখা লেখিকা সন্থাৰ ৰূপালী জয়ন্তীৰ অধিৱেশন কালি দিনজোৰা কাৰ্যসূচীৰে জিলাখনৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ অংশ হিচাপে শাখাৰ সভানেত্ৰী অনিমা কোচৰ লগতে আন আন বিষয়ববীয়াসকলে ২৫ খন পতাকা উত্তোলন কৰে। লেখিকা সন্থাৰ উপদেষ্টা হেমপ্ৰভা তাছাই বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিৰ মুকলি সভাত সভানেত্ৰী অনিমা কোচে সভাপতিত্ব কৰে। অনুষ্ঠানত ডিব্ৰুগড় শাখাৰ তিনিমহীয়া পত্ৰিকা **সুৰভি** আৰু **অব্যক্ত বেদনা** নামৰ এখন কাব্যগ্ৰন্থ উন্মোচন কৰা হয়। ৰূপালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইতিপূৰ্বে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ বঁটা বিতৰণ কৰা হয়। অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ মৃত্যুৰ বাবে লেখিকা সন্থাই পূৰ্ব নিৰ্ধাৰিত সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল কৰে।

০০০০০০০

**সমাপ্ত**